জনসাধাৰণ ২০১৭

# লিগেচী ডাটা বিচাৰি হাহাকাৰ সৰুপথাৰ গাঁৱৰ

সৰুপথাৰ গাঁৱৰ ৰাইজ বিয়টোক লৈ উদ্বিগ্ন হৈ পৰিছে। উল্লেখ্য যে বিষয়টো সন্দৰ্ভত গাঁওবাসী কেবাবাৰো নিৰ্বাচনী বিষয়া, মহকুমাধিপতিকে ধৰি সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত ওজৰ-আপত্তি দাখিল কৰিছে যদিও বৰ্তমানলৈকে কোনো সুফল লাভ কৰা নাই। ইপিনে, এন আৰ চি উন্নীতকৰণত বেমেজালি সৃষ্টি কৰাৰ কু-অভিসন্ধিৰে শক্তিশালী চক্ৰই কৌশলেৰে এনেবোৰ বিসংগতি সৃষ্টি কৰা বুলিও একাংশই সন্দেহ প্ৰকাশ কৰিছে। শেহতীয়াকৈ যুৱনেতা বিশ্বজিৎ ফুকনৰ নেতৃত্বত গাঁওখনৰ এটা সঁজাতী দলে ১৬ জুলাইত মহকুমাধিপতি নৰেন চন্দ্ৰ বসুমতাৰীৰ লগত বিষয়টো সন্দৰ্ভত আলোচনাত মিলিত হৈছিল। উক্ত আলোচনাত মহকুমাধিপতিগৰাকীয়ে শীঘ্ৰে লিগেচী ডাটা সন্দৰ্ভত সৃষ্টি হোৱা গাঁওখনৰ জ্বলন্ত সমস্যাটো সমাধানৰ আশ্বাস দিয়ে। কিন্তু বৰ্তমান উক্ত সমস্যাটো সমাধান হোৱা নাই, যাৰ পৰিপ্ৰেক্ষিতত আগন্তুক তিনিদিনৰ ভিতৰত আলোচনাৰ প্ৰতিশ্ৰুতি অনুসৰি পূৰণ নহ'লে গণতান্ত্ৰিক আন্দোলনৰ আশ্ৰয় লোৱাৰো হুংকাৰ দিছে। ইপিনে, এন আৰ চিৰ প্ৰ-পত্ৰ জমা দিয়াৰ শেষ দিন চমু চাপি অহাৰ লগে লগে গাঁওখনৰ ৰাইজৰ মনত আশংকা আৰু উদ্বিগ্নতাও বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। গাঁওখনৰ শতাধিক পৰিয়ালে সন্মুখীন হোৱা এই সমস্যাক ধনশিৰি মহকুমা প্ৰশাসনে কিমান গুৰুত্বসহকাৰে ক্ষিপ্ৰতাৰে সমাধান কৰে সেয়াহে লক্ষণীয় হ'ব।